জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নংঃ ৭৪৬/২০২০

# বিশিষ্ট শিশু সাহিত্যিক, শিক্ষাবিদ ড° অনুৰাধা বৰুৱাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১১ নৱেম্বৰ ঃ** বিশিষ্ট শিশু সাহিত্যিক, শিক্ষাবিদ ড° অনুৰাধা বৰুৱাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত ড° অনুৰাধা বৰুৱাই শিশু সাহিত্য জগত আৰু শৈক্ষিক তথা বিদ্যায়তনিক দিশলৈ যি বৰঙনি আগবঢ়াই গ'ল সেয়া অসমবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত ড° অনুৰাধা বৰুৱাই ৭০ৰ দশকৰ পৰা শিশু সাহিত্যৰ সৈতে জড়িত থাকি শিশু সাহিত্যৰ ভঁৰাল টনকিয়াল কৰাৰ দিশত যথেষ্ট অৱদান আগবঢ়াই গৈছে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা হিচাপেও আমাৰ বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত বৰঙনি যোগাই গৈছে। এইগৰাকী বিশিষ্ট ব্যক্তিৰ বিয়োগ আমাৰ শৈক্ষিক তথা সাহিত্য জগতৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ড° অনুৰাধা বৰুৱাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

বঃভাঃ / পুঃডেঃ
১১/১১/২০২০